Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

2 0 1 3

# ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব'ৰ ৰচক কোন?

(খ) অসমীয়া ভাষাত স্বৰৰ দৈৰ্ঘ্যবিশিষ্ট ধ্বনি হয়নে?

(গ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য ধ্বনি আছেনে?

(ঘ) অসমীয়া স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) মৌলিক ধাতু কাক বোলে?

(চ) অসমীয়া বাক্য গঠনৰ ক্ৰম কেনেধৰণৰ?

(ছ) 'অব্যয় শব্দ' বুলিলে কি বুজা?

চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) অসমীয়া ভাষাৰ ইংৰাজী মাধ্যমেৰে আৰু অসমীয়া ভাষাৰে পোনপ্ৰথমে ৰচিত ব্যাকৰণ দুখনৰ নাম কি কি?

(খ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি?

(গ) প্ৰত্যয় আৰু বিভক্তিৰ মাজত পাৰ্থক্য কি?

(ঘ) আসন্ন অঙ্গ বা নিকটস্থ অঙ্গ বুলিলে কি বুজা, উদাহৰণসহ লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) অসমীয়া ভাষাত স্পৰ্শবৰ্ণ কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধ্বনিগুণৰ ভিত্তিত এই বৰ্ণসমূহ শ্ৰেণীবদ্ধ কৰা।

(খ) অসমীয়া ভাষাত কাৰক কেই প্ৰকাৰৰ আৰু কি কি? অসমীয়াত কি কি উপায়েৰে কাৰক সাধন কৰা হয়, আলোচনা কৰা।

(গ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাত বচন ব্যাকৰণগত হয় নে নহয়, বুজাই লিখা।

(ঘ) গঠনৰ ফালৰ পৰা বাক্যক কেইটা ভাগত ভগাব পাৰি, উদাহৰণসহ চমুকৈ লিখা।

(ঙ) তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দ বুলিলে কি বুজা, উদাহৰণসহ লিখা।

৪। (ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী বিশিষ্ট ব্যঞ্জন-ধ্বনিবোৰৰ এখন তালিকা প্ৰস্তুত কৰা আৰু প্ৰতিটো বিশিষ্ট ব্যঞ্জনধ্বনি লিখিবলৈ অসমীয়া ভাষাত কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা।

৫। (ক) অসমীয়া ভাষাত লিঙ্গ কেই প্ৰকাৰৰ? কি কি উপায়েৰে অসমীয়া ভাষাৰ লিঙ্গ নিৰ্ণয় কৰা হয়, উদাহৰণসহ ব্যাখ্যা কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহ কি কি? এই নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ প্ৰয়োগ-বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৬। (ক) বাক্যতত্ত্ব কাক বোলে? অসমীয়া বাক্যতত্ত্ব সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দমালাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা।

★★★